

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৫

দিল্লীৰ চুলতানীযুগ

(১২০৬-১৫২৬ খ্ৰীঃ)

অংশ – ৩

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- দিল্লীৰ চুলতানী ৰাজবংশ চৈয়দ বংশ আৰু লোডী বংশৰ লগত পৰিচয় হ'ব।
- চুলতানী যুগৰ প্ৰশাসন ব্যৱস্থা আৰু উচ্চ পদস্থ বিষয়াৰ বিষয়ে জানিব পাৰিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ছৈয়দ বংশঃ- (১৪১৪-১৪৫১ খ্ৰীঃ)

- শেষৰজন টোগলক চুলতান মামুদ শ্বাহৰ মৃত্যুৰ পিছত খিজ্ৰৰ খানে প্ৰতিষ্ঠা কৰিছিল।
- মধ্য এছিয়াৰ চমৰখণ্ড টাইমূৰৰ কৰ্তৃত্বত খিজ্ৰৰ খানে দিল্লীত শাসন কৰিছিল।
- এই বংশৰ সময়ছোৱাত খিজ্ৰৰ খাঁন আৰু মুবাৰক শ্বাহে প্ৰায় ৩৭ বছৰ দিল্লীত শাসন কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জানি থওঁ আহা

- টাইমূৰ আছিল মধ্য এছিয়াৰ চমৰখণ্ডৰ শাসনকর্তা।
- তুৰ্কী-আফগানসকলৰ দৰেই তেওঁ ঐশ্বৰ্যশালী ভাৰতবৰ্ষৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু ১৩৯৮-৯৯ খ্ৰীঃ ত ভাৰতত অভিযান চলাইছিল।

- টোগলক বংশী শেষৰ জন শাসক নাছিৰুদ্দিন মামুদৰ শাসনকালত বৃহৎ সংখ্যক সৈন্য-সামন্ত লৈ তেওঁ উত্তৰ পশ্চিম ভাৰত আক্রমণ কৰিছিল। এই অভিযানত প্রচুৰ সা-সম্পত্তি, ধন সোণ আহৰণ কৰি তেওঁ চমৰখণ্ডলৈ উভতি গৈছিল।

লোডী বংশ (১৪৫১-১৫২৬ খ্ৰীঃ)

- পঞ্জাৱৰ পৰা অহা আফগান শাসক বাহলুল লোডীয়ে দিল্লীৰ সিংহাসন দখল কৰি চুলতান যুগৰ শেষ বংশ লোডী বংশ প্ৰতিষ্ঠা কৰে।
- এই বংশৰ উল্লেখযোগ্য চুলতান চিকন্দৰ লোডীয়ে ১৫০৬ খ্ৰীষ্টাব্দত দিল্লীৰ পৰা আগ্ৰালৈ ৰাজধানী স্থানান্তৰ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ইব্ৰাহিম লোডী

- অন্তিম চুলতান ইব্ৰাহিম লোডী ১৫২৬ খ্ৰীষ্টাব্দত পানিপতৰ প্ৰথম যুদ্ধত বাবৰ (ফাৰগানাৰ শাসক)ৰ হাতত পৰাস্ত হয়।
- ইব্ৰাহিম লোডীৰ মৃত্যুৰ পিছত চুলতানী যুগ শেষ হয়, আৰু বাবৰে দিল্লীত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে।

পানিপতৰ প্ৰথম যুদ্ধ (১৫২৬ খ্ৰীষ্টাব্দ)



জানি থওঁ আহা

- ১২০৬ খ্ৰীঃৰপৰা ১৫২৬ খ্ৰীঃলৈ, তিনিশ বিশ বছৰকাল পাঁচটা বংশৰ চুলতানে ভাৰতবর্ষ শাসন কৰে।
- ইয়াৰ ভিতৰত দাস, খিলিজিজি আৰু টোগলকসকল তুৰ্কী লোক আছিল।
- লোডী বংশৰ চুলতানসকল আফগান পাঠান আছিল।

- আনহাতে ছৈয়দ বংশৰ ৰজাসকলে নিজকে হজৰত মহম্মদৰ জীয়ৰীৰ বংশধৰ বুলি চিনাকি দিছিল।

চুলতানসকলৰ প্ৰশাসনিক ব্যৱস্থা



- তুৰ্কী-আফগান শাসকসকলে চুলতানী যুগত ভাৰতৰ এক বৃহৎ অঞ্চলত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- চুলতানী যুগৰ পাঁচটা বংশৰ ৰাজত্ব কালত তুৰ্কী-আফগান শাসকসকলৰ প্ৰতিপত্তি ভাৰতৰ এক বৃহৎ অঞ্চলত বিয়পি পৰিছিল।
- চুলতান কুতুবুদ্দিন আইবাকে তেওঁৰ সাম্ৰাজ্য উত্তৰ-পশ্চিম দিশৰ গজনীৰপৰা আৰম্ভ কৰি বংগদেশলৈকে সম্প্ৰসাৰিত কৰিছিল। তেওঁৰ শাসনৰ মূখ্য কাৰ্যালয় আছিল লাহোৰ।
- ইলটুমিছে মুলতান, সিন্ধু, আজমেৰ, গোৱালিয়ৰৰপৰা কনৌজ, বাৰাণসীলৈকে সাম্ৰাজ্যৰ বিস্তৃতি ঘটাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- চুলতান আল্লাউদ্দিন খিলিজিজিয়ে গুজৰাট, মালয়, ৰাজস্থান আৰু দক্ষিণ ভাৰত জয় কৰি এক বৃহৎ সাম্ৰাজ্যৰ গৰাকী হৈছিল।
- এই বৃহৎ ভৌগেলিক পৰিসৰ শাসন কৰিবলৈ যাওঁতে চুলতানসকলে সু-সংহত আৰু পৰিকল্পিত প্ৰশাসন ব্যৱস্থাৰ প্ৰচলন ঘটাইছিল।
- তেওঁলোকৰ প্ৰশাসনৰ মূল ভিত্তি আছিল ইছলাম ধৰ্মীয় আইন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- পাৰস্য দেশৰ আদব-কায়দাও তেওঁলোকৰ ৰাজসভাত দেখা পোৱা গৈছিল। শাসন ব্যবস্থাত ৰজা আছিল সর্বোচ্চ ক্ষমতাৰ অধিকাৰী। চুলতান গিয়াছুদ্দিন বলবনে "ৰজা ভগবান প্ৰেৰিত দূত" এই ধাৰনাক বাস্তৱ ৰূপ দিয়াৰ যত্ন কৰিছিল।



প্ৰশাসনিক বৈশিষ্ট্যসমূহ :

- পদ্ধতিগত আৰু পৰিকল্পিত প্ৰশাসনিক ব্যৱস্থা প্ৰৱৰ্তন কৰা।
- ইছলামিক আইন প্ৰশাসনৰ মূল ভিত্তি গঠন কৰিছিল।
- পাৰ্চী প্ৰশাসনিক পদ্ধতিও গ্ৰহণ কৰা হৈছিল।
- ৰজাৰ সৰ্বোচ্চ কৰ্তৃত্ব আছিল।



চুলতানী আমোলৰ উচ্চপদস্থ বিষয়া

- সাম্ৰাজ্য বিস্তাৰ হোৱাৰ লগত সাম্ৰাজ্যখন পৰিচালনাৰ বাবে প্ৰশাসনিক ব্যৱস্থাৰ আৰু নিৰ্ভৰযোগ্য বিষয়াৰো প্ৰয়োজন হৈছিল।
- বিষয়াসকলৰ ভিতৰত উজীৰ আছিল প্ৰধান মন্ত্ৰী আৰু তেওঁৰ দপ্তৰক "দিবান-ই-উজাৰত" বোলা হৈছিল।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- চদৰ-উজ-চদুৰ আছিল ধর্ম আৰু ন্যায় বিভাগৰ মুৰব্বী। সামৰিক বিভাগৰ মুৰব্বীজনক "অৰিজ-ই-মাবালিক" বোলা হৈছিল।
- ৰাজসভা আৰু ৰাজপ্রাসাদৰ দায়িত্ব উকিল-ই-দাৰ আৰু আমিৰ-ই-হবিব নামৰ বিষয়াৰ হাতত ন্যস্ত আছিল।
- চুলতান আৰু বিষয়াসকলৰ মাজত প্রায়ে শীতলযুদ্ধ চলিছিল। সেয়ে চুলতানসকলে বিষয়াসকলক তলতীয়া কৰিবলৈ চেষ্টা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- চুলতান ইলটুমিছে ক্রীতদাসসকলৰ মাজৰপৰা বিষয়া নিৰ্বাচনত গুৰুত্ব দিছিল। কাৰণ এই দাসসকল সম্পূৰ্ণৰূপে তেওঁলোকৰ প্ৰভু অৰ্থাৎ চুলতানসকলৰ ওপৰত নিৰ্ভৰশীল আছিল। খিলিজিজি আৰু টোগলক চুলতানসকলেও দাসসকলক প্ৰাধান্য দিছিল।

মূল্যায়ন



1 লোডী বংশৰ কোন জন চুলতানে দিল্লীৰ পৰা আগ্ৰালৈ ৰাজধানী স্থানান্তৰ কৰিছিল ?

A বাহালুল লোডী

B চিকন্দৰ লোডী

C ইব্ৰাহিম লোডী

মূল্যায়ন



2 চুলতানী আমোলত সামৰিক বিভাগৰ মুৰব্বীজনক "অৰিজ-ই-মাবালিক" বোলা হৈছিল।

A শুদ্ধ

B অশুদ্ধ

মূল্যায়ন

Under CSR Support by
ipca | Foundation



3 | চুলতান গিয়াছুদ্দিন বলবনে "ৰজা ভগবান প্ৰেৰিত দূত" এই ধাৰনাক বাস্তৱ ৰূপ দিয়াৰ যত্ন কৰিছিল।